# গোৱালপাৰা মহাবিদ্যালয়ত 'ৰামধেনুৰ সন্ধানত' শীৰ্ষক অন্তৰংগ আলাপ

## ইংলণ্ডৰ লীডছ বিশ্ববিদ্যালয়ৰ ছাত্ৰী ৰাহাতুন জান্নাতৰ অংশগ্ৰহণ




অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২০ জানুৱাৰী ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত আজি অনুষ্ঠিত 'ৰামধেনুৰ সন্ধানত' শীৰ্ষক এক অন্তৰংগ আলাপত মিলিত হয় ইংলণ্ডৰ লীডচ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত অধ্যয়নৰত ছাত্ৰী ৰাহাতুন জান্নাতে। গোৱালপাৰা চহৰৰ কাৰবালাৰ বাসিন্দা তথা সুদূৰ ইংলণ্ডত অধ্যয়নৰত ছাত্ৰী ৰাহাতুন জান্নাতে নিজৰ বক্তব্যত কয় যে কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাসে সকলো সম্ভৱ কৰি তুলিব পাৰে। দূৰ-দূৰণিলৈ গৈ বিশ্বৰ বিভিন্ন প্ৰান্তত অধ্যয়ন কৰিবলৈ গৈ সফলতা অৰ্জন কৰিবলৈ অধ্যৱসায়ৰ প্ৰয়োজন বুলি উল্লেখ কৰে জান্নাতে। অন্তৰংগ আলাপ অনুষ্ঠান উদ্বোধন কৰি গোৱালপাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে ৰাহাতুন জান্নাতৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দিয়ে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা লনী বৰুৱাই বিভাগটোৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ সাফল্যৰ তথ্য দাঙি ধৰে। সভাত অধ্যাপক ড° সন্তোষ কুমাৰ মিশ্ৰই মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে ৰূপায়ণ কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। ইংৰাজী বিভাগৰ অধ্যাপক ড° মজবুল হক চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা অন্তৰংগ আলাপ অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে বিদেশত অধ্যয়ন কৰাৰ বিভিন্ন সা-সুবিধা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰে।